# রজনী কান্ত নাথ

# অভিনন্দন গ্রন্থ



| | | |
|---|---|---|
| • অন্য এক কুশীলবৰ সান্নিধ্যত ..... | শ্ৰীদুলাল চন্দ্ৰ নাথ | ১৬৮ |
| • শ্ৰদ্ধেয় ৰজনী কান্ত নাথৰ ব্যক্তিত্বৰ এক অনুভৱ | ডঃ দুলেন্দ্ৰ নাথ | ১৭২ |
| • প্ৰবক্তাৰ দৃষ্টিত ৰজনী কান্ত নাথ | শ্ৰীহৰেণ ডেকা | ১৭৫ |
| • প্ৰেৰণাৰ উৎস শ্ৰদ্ধেয় ৰজনী কান্ত নাথ ছাৰ | শ্ৰীবিজয়া ডেকা | ১৭৮ |
| • ব্যক্তিত্ব সন্ধানেৰে গুৰু প্ৰণাম | শ্ৰীউমা কান্ত নাথ | ১৮০ |
| • জনতা কলেজৰ সৈতে ৰজনী কান্ত নাথ | শ্ৰীৰঞ্জনা বৰা | ১৮৮ |
| • শিক্ষাগুৰু, বিশিষ্ট সাহিত্য-সংস্কৃতি সেৱী শ্ৰীৰজনী কান্ত নাথ চাৰ | শ্ৰীবিনয় ৰঞ্জন শৰ্মা | ১৯০ |
| • সুদৃঢ় ব্যক্তিত্বৰ শ্ৰীৰজনী কান্ত নাথ ছাৰ আৰু ছিপাঝাৰ | শ্ৰীননী কুমাৰ শইকীয়া | ১৯২ |
| • ৰজনী কান্ত নাথ : শ্ৰেণীকোঠাৰ বাহিৰৰ শিক্ষক গৰাকী | শ্ৰীৰঞ্জিত কুমাৰ নাথ | ১৯৫ |
| • আজীৱন শিক্ষাব্ৰতী কৃচ্ছ্ৰসাধক শ্ৰদ্ধাৰ ৰজনী কান্ত নাথ ছাৰ | শ্ৰীহেৰম্ব কুমাৰ নাথ | ১৯৭ |
| • আধ্যাত্মিক দিশত ৰজনী কান্ত নাথ | শ্ৰীবসন্ত শইকীয়া | ২০০ |
| • শ্ৰদ্ধাৰ ককাইদেউৰ প্ৰতি মোৰ অনুভৱ | শ্ৰীবকুল চন্দ্ৰ নাথ | ২০৫ |
| • ভক্তি মাৰ্গৰ সুৰুঙাৰে দুআষাৰ | শ্ৰীগোপীৰাম নাথ | ২১৫ |
| • নিজা গাঁৱৰ পৰিৱেশৰ সৈতে ৰজনী কান্ত নাথ | শ্ৰীগোলাপ চন্দ্ৰ নাথ | ২১৬ |
| • শ্ৰদ্ধাৰ শিক্ষাগুৰু ৰজনীকান্ত নাথ দেৱ | শ্ৰীখৰ্গেশ্বৰ নাথ | ২২০ |
| • শিক্ষাগুৰু ৰজনীকান্ত নাথ দেৱলৈ... | মঃ জেহিৰুল হক | ২২৪ |
| • ছাৰলৈ অভিনন্দন | শ্ৰীদেৱজিত নাথ | ২২৫ |
| • Four dimensional relation | শ্ৰীবনমালী ভূঞা | ২২৭ |
| • শ্ৰদ্ধাৰ ৰজনী কান্ত নাথ ছাৰ আৰু কিছু কথা | শ্ৰীপ্ৰভাত বনিয়া | ২৩০ |
| • ডুখুৰীয়া স্মৃতি | শ্ৰীবাপুকন ডেকা | ২৩১ |
| • নাথ ছাৰৰ সান্নিধ্যত ব্যক্তিগত অনুভৱ | শ্ৰীনীলিমা বৰুৱা | ২৩২ |
| • 'পাগুপাত ছাৰ' | শ্ৰীপ্ৰবীণ কুমাৰ চহৰীয়া | ২৩৪ |

| | | |
|---|---|---|
| • মোৰ নাট্য জীৱনৰ প্ৰথম গুৰু ৰজনী কান্ত নাথ দেৱ | শ্ৰীবনলতা দেৱী | ২৩৮ |
| • নাট্যকাৰ - পৰিচালক ৰজনী কান্ত নাথৰ অনবদ্য নাটক 'পৰ্‌জা ঐ জবৌ বৌৱা' | শ্ৰীনৱ কুমাৰ শইকীয়া | ২৪১ |
| • ডায়মণ্ড ক্লাৱ ৰজনী ছাৰ আৰু আমি.......... | শ্ৰীদিলীপ নাথ | ২৪৩ |
| • ৰজনী ছাৰৰ নাট্যকলা আৰু তেওঁৰ সান্নিধ্য | শ্ৰীডিম্বেশ্বৰী দেৱী | ২৪৮ |
| • আদৰ্শ শিক্ষাগুৰুৰ সান্নিধ্যত | শ্ৰীকমল কুমাৰ নাথ | ২৫২ |
| • শ্ৰদ্ধাৰ ৰজনীকান্ত নাথ ছাৰৰ সান্নিধ্য | শ্ৰীউদয় কুমাৰ বৰুৱা | ২৫৩ |
| • শ্ৰদ্ধাৰ ৰজনীকান্ত নাথ ছাৰক মই কিভাৱে জানো | শ্ৰীবীৰেশ্বৰ নাথ | ২৫৪ |
| • আত্মীয়ৰপৰা শিক্ষাগুৰু-দীক্ষাগুৰু হিচাপে ৰজনী কান্ত নাথদেৱ | শ্ৰীৰমেশ নাথ | ২৫৬ |
| • স্বীয় শ্লাঘাবৎ ভাতৃ শ্ৰীৰজনী কান্ত নাথৰ জীৱন গাঁথা | শ্ৰীঅৰবিন্দ নাথ | ২৬০ |
| • নাৰিকল বৃক্ষ সদৃশ এজন পুৰুষৰ সান্নিধ্যত | শ্ৰীপ্ৰেমলতা নাথ | ২৯০ |
| • মোৰ জীৱন গঢ়াত দাদা ৰজনী কান্ত নাথৰ অৱদান | ডাঃ ইন্দ্ৰ কান্ত নাথ | ৩১৬ |
| • দেউতা | শ্ৰীগীতাঞ্জলী দেৱী বৰ্মন | ৩১৯ |
| • দেউতা | ডাঃ জিলিমিলি দেৱী | ৩২১ |
| • মৰমৰ দেউতালৈ | শ্ৰীৰুণজুন দেৱী (পপি) | ৩২৬ |
| • মৰমৰ দেউতা | শ্ৰীগৰ্ব্যাঞ্জলী দেৱী (ছবি) | ৩২৯ |
| • আমাৰ অ'টা | শ্ৰীপৰাণ জ্যোতি নাথ | ৩৩২ |
| • এটুকুৰা জুয়ে পোৰা সোণ | শ্ৰীস্বৰ্ণময়ী নাথ | ৩৩৫ |
| • ভিনদেউ, এক গতিশীল জীৱন পৰিক্ৰমা | শ্ৰীজয়ন্ত চহৰীয়া | ৩৩৭ |
| • শ্ৰদ্ধাৰ মামালৈ | ডাঃ পিংকু বৰা | ৩৩৯ |
| • পৰম শ্ৰদ্ধাৰে মামালৈ | শ্ৰীসৰগমনি তামুলী বৰা | ৩৪০ |
| • শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু ৰৰদেউতা ৰজনী কান্ত নাথদেৱ | শ্ৰীসুনিল কলিতা | ৩৪২ |
| • মোৰ দৃষ্টিত পূজনীয় মামা | শ্ৰীঅতুল বৰা | ৩৪৪ |
| • শ্ৰদ্ধেয় মামালৈ....... | শ্ৰীনিভাৰাণী শইকীয়া | ৩৪৫ |

# প্ৰেৰণাৰ উৎস শ্ৰদ্ধেয় ৰজনী কান্ত নাথ ছাৰ

শ্ৰীবিজয়া ডেকা

বিয়া হৈ আহিয়ে যিসকল ব্যক্তিৰ নাম শুনিছিলো সেই সকলৰ ভিতৰত অন্যতম এগৰাকী হ'ল শ্ৰদ্ধেয় ৰজনী কান্ত নাথ ছাৰ। স্বামী ড° গণেশ্বৰ চহৰীয়া এসময়ত ছিপাঝাৰ সাহিত্য সভাৰ কনিষ্ঠতম সদস্য আছিল। তেওঁ শ্ৰদ্ধেয় লক্ষীৰাম নাথ, শশীধৰ নাথ, স্বৰ্গীয় ৰেৱণ চন্দ্ৰ নাথ, ৰজনী কান্ত নাথ আদি ব্যক্তি সকলৰ বৰ আদৰৰ আছিল। সাহিত্য সংস্কৃতিৰ লগত জড়িত ছিপাঝাৰ অঞ্চলৰ এই বিশিষ্ট ব্যক্তি সকলৰ সান্নিধ্যই তেওঁক জীৱনৰ বিচিত্ৰ অভিজ্ঞতা আহৰণত যথেষ্ট সহায় কৰিছিল। ন বোৱাৰী অৱস্থাতে স্বামীৰ মুখে ছিপাঝাৰ অঞ্চলৰ গুণী-জ্ঞানী ব্যক্তি সকলৰ কথা শুনি মনটো উপচি পৰিছিল। আন আন ব্যক্তিৰ লগতে শ্ৰদ্ধেয় ৰজনী কান্ত নাথ ছাৰকো লগ পাবলৈ মনত হেঁপাহ জাগিছিল। সঁচাকৈয়ে যেতিয়া তেওঁক লগ পালো নিজকে বৰ সৌভাগ্যৱতী যেন অনুভৱ হ'ল।

ছিপাঝাৰ অঞ্চলৰ সাহিত্য-সংস্কৃতি অতি চহকী। এই অঞ্চলৰ চিয়াগীত, ওজাপালি-দেওধনী নৃত্য, খুলীয়া ভাওৰীয়া, ঢুলীয়া, কালীয়া নাঙেলী গীত, ঢেপাঢোল, নাগাৰা নাম, থিয় নাম, আইনাম, বিয়াগীত আদি বাৰে ৰহনীয়া সংস্কৃতিয়ে অসমীয়া সাহিত্য-সংস্কৃতিৰ পথাৰখন সেউজীয়া কৰি ৰাখিছে। কবি ধনাই বৰা, অতুল চন্দ্ৰ বৰুৱা, গজেন্দ্ৰ নাথ চহৰীয়া, ইব্ৰাহীম আলি, দীনেশ্বৰ শৰ্মা, ললিত চন্দ্ৰ নাথ ওজা, কিনাৰাম নাথ ওজা, হেমো ৰাম নাথ দাইনাপালি, জগত নাথ পাঠক, দুৰ্গেশ্বৰ নাথ ওজা, নবীন শৰ্মা, ইদ্ৰিছ আলিৰ পৰা আৰম্ভ কৰি ড$^0$ পৰমানন্দ ৰাজবংশীলৈকে অনেক স্বনামধন্য শিল্পী সাহিত্যিক সকলৰ জন্মস্থান ছিপাঝাৰ অঞ্চলৰ অৱদান অসমীয়া সাহিত্য সংস্কৃতিলৈ অতুলনীয়। এই সকল ব্যক্তিৰ লগতে শ্ৰদ্ধেয় ৰজনী কান্ত নাথ ছাৰেও তেখেতৰ বহুমূলীয়া অৱদানেৰে ছিপাঝাৰক মহিমা মণ্ডিত কৰি তুলিছে। বিশেষকৈ নাট্যকাৰ, পৰিচালক, অভিনেতা, প্ৰযোজক, সুদক্ষ সংগঠক তথা কৃতি শিক্ষক ৰূপে তেখেতে এখন সুকীয়া আসন দখল কৰি আছে। ইমান গুণ-গৰিমাৰে বিভূষিত ব্যক্তি এগৰাকীয়ে যেতিয়া মোক 'বোৱাৰী' বুলি মাতে মনটো শাঁত পৰি যায়। কৰ্মসূত্ৰে আমি ছিপাঝাৰৰ ঘৰৰ পৰা দূৰৈত থাকিলেও মাজে সময়ে

তেখেতৰ মাত শুনি থাকো। খতিয়ান লয় কি কি কাম হাতত আছে, ঘৰ কিদৰে চলিছে, কলেজৰ শৈক্ষিক ফলাফল কেনে ইত্যাদি কথাৰ।

শিক্ষানুৰাগী শ্ৰদ্ধেয় ৰজনী কান্ত নাথ ছাৰে এই বয়সতো (৭৭ বছৰ) ছিপাঝাৰ বি.এড. কলেজৰ গুৰি ধৰি আছে। কথাটো ভাবিলেই আচৰিত লাগে। তেখেতৰ অদম্য কৰ্মস্পৃহাই বয়সকো হাৰ মনাইছে।

এবাৰ (২৫ফেব্ৰুৱাৰী ২০১৬) ছিপাঝাৰ বি.এড কলেজৰ সভা এখনত উপস্থিত থকাৰ সৌভাগ্য ঘটিছিল। সভাৰ আৰম্ভণিতে কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে প্ৰস্তুত কৰা প্ৰাচীৰ পত্ৰিকাখনি তেখেতে উন্মোচন কৰিছিল। ছাত্ৰ-ছাত্ৰী সকলে লিখনি সমূহ সাঁচিপাতৰ আৰ্হিৰে কাগজত প্ৰস্তুত কৰিছিল। ছাত্ৰ-ছাত্ৰী সকলক তেখেতে ভূয়সী প্ৰশংসা কৰিছিল। প্ৰাচীৰ পত্ৰিকাখনি উন্মোচন কৰি দিয়া সাৰুৱা ভাষণ মোৰ এতিয়াও মনত আছে। তেখেতে কৈছিল যে প্ৰাচীৰ পত্ৰিকাত লিখা আৰম্ভ কৰা বহু ছাত্ৰ-ছাত্ৰী সময়ত ভাল সাহিত্যিক হ'ব পাৰে। সুন্দৰ হাতৰ আখৰ, বিভিন্ন ৰঙৰ প্ৰয়োগ তথা নানা তৰহৰ ছবিয়ে একোখন প্ৰাচীৰ পত্ৰিকা আকৰ্ষণৰ কাৰণ হৈ পৰে। এইবোৰ দেখি বহুলোকৰ সুপ্ত প্ৰতিভা জাগৰিত হৈ পৰে। চকুৰ পচাৰতে অলপ কথাৰে বহু কথা প্ৰকাশ কৰাটোৱে প্ৰাচীৰ পত্ৰিকাৰ ধৰ্ম। প্ৰতিখন শিক্ষানুষ্ঠান, অনুষ্ঠান-প্ৰতিষ্ঠান, বাচ আস্থান আদিত প্ৰাচীৰ পত্ৰিকা থকা অতি দৰকাৰ। ই আজৰি সময়ৰ বা অপেক্ষাৰত সময় পাৰ কৰাৰ লগতে মনৰ খোৰাক যোগোৱাত সহায় কৰিব পাৰে। প্ৰাচীৰ পত্ৰিকা একোখনে সমসাময়িক ঘটনা প্ৰতিফলিত কৰে।

শ্ৰদ্ধেয় ৰজনী কান্ত নাথ ছাৰৰ দ্বাৰা ৰচিত শৰাইঘাট, ভুলৰ ফুল, স্নেহবন্যা, সিংহাসন আদি নাটককেইখনে ছিপাঝাৰ অঞ্চলত এসময়ত আলোড়নৰ সৃষ্টি কৰি এচাম অভিনয় ভালপোৱা মানুহ গঢ়িবলৈ সক্ষম হৈছিল। নাটক ৰচনা, পৰিচালনা, প্ৰযোজনা আৰু সুঅভিনয়েৰে দৰ্শকৰ মনত সাঁচ বহুৱাইছিল যাৰ সুবাদত তেখেতে 'নাট্য প্ৰদীপ' উপাধি লাভ কৰিছিল।

অদম্য কৰ্মস্পৃহাই তেখেতক এতিয়াও গতি প্ৰদান কৰি আছে লগতে নৱ প্ৰজন্মক প্ৰেৰণা যোগাইছে। ভগৱানৰ ওচৰত তেখেতৰ সুস্বাস্থ্য কামনা কৰাৰ লগতে তেখেতলৈ সেৱা আগবঢ়ালো।

(লেখিকা জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকোৰ শিক্ষা বিভাগৰ অধ্যাপিকা।)